## 2023

## ASSAMESE

( Honours Core )

Paper : ASM–HC–3016

( অসমীয়া সাহিত্য প্ৰৱেশ )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) 'সাৰথি' গ্ৰন্থখনৰ লিখক কোন?

(খ) 'মমতাৰ চিঠি' কবিতাটোত উল্লিখিত মমতাৰ পুত্ৰৰ নাম কি?

(গ) প্ৰাচ্যৰ ভেনিচ ৰূপে কোনখন চহৰক অভিহিত কৰা হয়?

(ঘ) 'টোপ' গল্পটোত উল্লিখিত পুখুৰীটোৰ নাম কি?

(ঙ) অসমীয়া সাহিত্যত 'এখুদ ককাইদেউ' বুলি কাক কোৱা হয়?

*(Turn Over)*

(চ) 'মক্‌ফাইট' শব্দৰ অৰ্থ কি ?

(ছ) হীৰেন গোহাঁইয়ে কোনখন গ্ৰন্থৰ বাবে সাহিত্য অকাডেমি বঁটা লাভ কৰিছিল ?

(জ) কৃষ্ণকান্ত সন্দিকৈ ব্যক্তিগত পুথিভঁৰালত সৰ্বমুঠ কিমানটা ভাষাৰ পুথি আছে ?

(ঝ) 'কথা চহকী মাৰ্কিন ডেকাৰ সংগ সুখ' পাঠটোত উল্লিখিত মাৰ্কিন ডেকাজনৰ নাম কি ?

(ঞ) সত্যনাথ বৰাৰ 'গীতাৱলী' কি বিষয়ক গ্ৰন্থ ?

২। চমু উত্তৰ দিয়া : ২×৫=১০

(ক) "শুনিছোঁ বন্ধু! ইব্ৰাহীমৰ কাহিনী বীৰত্বৰ।" ইব্ৰাহীম কোন? তেওঁ কি বীৰত্ব প্ৰদৰ্শন কৰিছিল ?

(খ) হোমেন বৰগোহাঞিয়ে সম্পাদনা কৰা দুখন বাতৰি-কাকতৰ নাম লিখা।

(গ) চৈয়দ আব্দুল মালিকে ৰচনা কৰা দুখন গল্প-পুথিৰ নাম লিখা।

(ঘ) 'টোপ' গল্পটোত উল্লিখিত ককাজনৰ নাম কি? তেওঁ গাঁৱত কি বুলি জনাজাত ?

(ঙ) বিৰিঞ্চি কুমাৰ বৰুৱাই সাহিত্য-সৃষ্টিত ব্যৱহাৰ কৰা ছদ্মনাম দুটা উল্লেখ কৰা।



(Continued)



৩। তলৰ যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৪=২০

(ক) সাধুকথা আৰু চুটিগল্পৰ মাজত থকা সাদৃশ্য আৰু বৈসাদৃশ্য সম্পৰ্কে লিখা।

(খ) অসমীয়া ভ্ৰমণ-সাহিত্যৰ এটি পৰিচয় দাঙি ধৰা।

(গ) 'সাউদৰ পুতেকে নাও মেলি যায়' উপন্যাসত প্ৰকাশ পোৱা শিশু মনস্তত্ত্বৰ বিভিন্ন দিশ সম্পৰ্কে লিখা।

(ঘ) মহিম বৰাৰ গল্পৰ বৈশিষ্ট্য সম্পৰ্কে লিখা।

(ঙ) বিৰিঞ্চি কুমাৰ বৰুৱাই আমেৰিকাৰ চহৰ আৰু গাঁৱৰ মাজত কেনে পাৰ্থক্য দেখিছিল ?

(চ) 'শৱ সন্ধান' কবিতাটোত কেনেধৰণৰ ভাৱক নিৰ্দেশ কৰিছে ?

৪। তলৰ যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ দিয়া : ১০×৪=৪০

(ক) নৱকান্ত বৰুৱাৰ 'এটা প্ৰেমৰ পদ্য' কবিতাটোৰ মাজেৰে ৰোমাণ্টিক ভাৱধাৰা কেনেদৰে প্ৰকাশ পাইছে? বুজাই লিখা।

(খ) "সাধুকথাত লোক-সমাজ আৰু লোক-মনৰ প্ৰতিভাত হয়।" 'চম্পাৱতী সাধু'টোৰ জৰিয়তে উক্ত কথাফাঁকিৰ যুক্তিযুক্ততা বিচাৰ কৰা।

(গ) শংকৰদেৱক মানুহ হিচাপে প্ৰতিপন্ন কৰিবলৈ হীৰেন গোহাঁইয়ে কি কি যুক্তি আগবঢ়াইছে ?



(Turn Over)

(ঘ) জীৱনী আৰু আত্মজীৱনী সম্পৰ্কে তোমাৰ পাঠ্যক্রমৰ আধাৰত এটি প্ৰবন্ধ প্ৰস্তুত কৰা।

(ঙ) হেম বৰুৱাৰ 'মেকং নৈ দেখিলোঁ' প্ৰথম অধ্যায়ৰ আধাৰত টাইসকলৰ ভাষা, সাহিত্য আৰু সংস্কৃতিৰ এক আভাস দাঙি ধৰা।

(চ) 'জীৱনৰ অমিয়া' পাঠটোত মানুহৰ চৰিত্ৰৰ বিভিন্ন দিশ আৰু গুণ সম্পৰ্কে এটি প্ৰবন্ধ প্ৰস্তুত কৰা।

(ছ) 'দুখন ভৰি' গল্পটোৰ নামকৰণৰ তাৎপৰ্য সম্পৰ্কে লিখা।

(জ) 'জীৱন বৃত্ত'ৰ প্ৰথম অধ্যায়ত লেখকে গ্ৰাম্য জীৱনৰ চিত্ৰ কেনেদৰে অঙ্কন কৰিছে, লিখা।

★★★